# হাজংসকল

হাজংসকল অসমৰ ভৈয়ামৰ এটি জনজাতীয় জনগোষ্ঠী। তেওঁলোক ঘাইকৈ গোৱালপাৰা, ধুবুৰী জিলাৰ দক্ষিণ শালমাৰা-মানকাচাৰ মহকুমাত বসবাস কৰে। আনহাতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্যান্য প্ৰায়বোৰ জিলাৰে বিভিন্ন অঞ্চলতো তেওঁলোক সিঁচৰতি হৈ আছে। মেঘালয়ৰ পশ্চিম আৰু দক্ষিণ গাৰোপাহাৰ জিলা আৰু খাছিয়া পাহাৰ জিলাৰ পাৰ্বত্য সমভূমি অঞ্চলতো বুজন সংখ্যক হাজং মানুহে বসবাস কৰি আছে। ভাৰতৰ সংবিধানৰ ১৯৫০ চনত আইন অনুসৰি হাজংসকলৰ অবিভক্ত অসমৰ পাৰ্বত্য স্বায়ত্ত শাসিত জিলাবোৰতহে অনুসূচীত জনজাতি হিচাপে স্বীকৃত আছিল। পৰৱৰ্তী সময়ত ভাৰতীয় সংবিধানৰ সংশোধিত 'অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ নিৰ্দেশ (সংশোধিত) আইন ২০০২' অনুসৰি অসমৰ ভৈয়ামৰ জিলাবোৰত বসবাস কৰা হাজংসকলে ভৈয়ামৰ অনুসূচীত জনজাতি হিচাপে স্বীকৃতি লাভ কৰে।

নৃতাত্ত্বিকসকলৰ মতে হাজংসকল ইণ্ডো-মংগোলীয় জনগোষ্ঠীৰ। কথিত আছে যে হাজংসকল তিব্বতৰ পৰা আহি কোচবিহাৰৰ উত্তৰৰ ভূটান সীমান্তৰ 'হাজং' নামৰ অঞ্চলত কেইবা শতিকা জুৰি বসবাস কৰি আছিল। কোনো কোনোৰ মতে হাজংসকল তিব্বতৰ পৰা প্ৰথমতে কামৰূপ জিলাৰ হাজো অঞ্চলত থিতাপি লৈছিল বুলি জনা যায়। পিছলৈ এওঁলোক ক্ৰমান্বয়ে গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ গৈ দক্ষিণপাৰলৈ আহে আৰু লক্ষীপুৰৰ ওচৰৰ শুৱাৰকোনাৰ পৰা দক্ষিণলৈ ধুবুৰী জিলাৰ মানকাচাৰ-শালমাৰা পাৰ্বত্য সমভূমি আৰু বাংলাদেশৰ ময়মনসিংহ জিলাৰ উত্তৰৰ শৈলপদীয় অঞ্চলত বিয়পি পৰে। আনহাতে পূৱলৈ পশ্চিম খাছিয়া পাহাৰৰ নামনি অঞ্চলকে ধৰি শ্ৰীহট্ট জিলালৈ বিস্তৃত হয়। পুৰণি অসমৰ এক নিৰ্দিষ্ট ভৌগোলিক সীমাৰেখাৰ মাজত হাজংসকল বহু শতিকা ধৰি বসবাস কৰি থকাৰ উল্লেখ পোৱা যায়। এই ভূখণ্ডৰ চাৰিসীমা আছিল ঃ উত্তৰত গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ ওচৰৰ (১) শুৱাৰকোনা, পূৱত শ্ৰীহট্ট বা ছিলেট জিলাৰ (২) জামকোনা, দক্ষিণত ময়মন সিংহ জিলাৰ (৩) জংকোনা আৰু পশ্চিমত মানকাচাৰৰ ওচৰৰ (৪) মৰকোনা নামৰ চাৰিখন হাজং গাঁও। ঊনৈশ শতিকাৰ শেষ ভাগলৈকে হাজংসকল উক্ত অঞ্চলৰ ভিতৰতে থিতাপি লৈ আছিল। পৰৱৰ্তীকালত ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন কাৰণত এই জনগোষ্ঠীয়ে উক্ত অঞ্চলৰ

পৰা অন্যান্য অঞ্চললৈ সিঁচৰতি হৈ পৰে। আনহাতে স্বাধীনতাৰ পিছত পূৰ্ব-পাকিস্তানৰ পৰা (বৰ্তমান বাংলাদেশ) ১৯৬৪ খ্ৰীষ্টাব্দত বঙালী হিন্দু, গাৰো, কোচ, ডালু, বানাই আদিৰ লগতে গাৰোপাহাৰ সীমান্ত ময়মনসিংহ জিলাৰ উত্তৰাঞ্চলৰ হাজংসকল ভগনীয়া হৈ অসমলৈ শৰণাৰ্থী হিচাপে আহে। এই শৰণাৰ্থীসকল অসমৰ বিভিন্ন অঞ্চলত চৰকাৰৰ দ্বাৰা পুনৰ সংস্থাপিত হৈ বসবাস কৰি আছে। হাজংসকল বৰ্তমান অসমৰ গোৱালপাৰা, ধুবুৰী, কামৰূপ, বাক্সা, ওদালগুৰি, চিৰাং, দৰং, লখিমপুৰ, ধেমাজী, নগাঁও আদি জিলাৰ অ'ত ত'ত তাকৰীয়া সংখ্যকভাৱে সিঁচৰতি হৈ বসবাস কৰি আছে।

**নামকৰণ ঃ** হাজং নামৰ আঁতিগুৰি সম্পৰ্কত বিভিন্নজনৰ বিভিন্ন মত। জনশ্ৰুতি অনুসৰি হাজংসকল এসময়ত 'হাজং' নামৰ ভূখণ্ডৰ পৰা প্ৰব্ৰজিত হৈ অহাৰ কাৰণে এই জনগোষ্ঠীৰ নাম হাজং হৈছে। দ্বিতীয়তে তেওঁলোকৰ পূৰ্বপুৰুষজনৰ নাম আছিল হাজো ; এই হাজোৰ জন বা বংশৰ লোক হিচাপে জনগোষ্ঠীৰ নাম হাজং হয় বুলি মতপোষণ কৰা হয়। তৃতীয় মত অনুসৰি হাজং শব্দটো প্ৰতিৱেশী গাৰোসকলেহে দিয়া নাম। এই জনগোষ্ঠীৰ মূল জীৱিকা কৃষি ; হাজংসকল সমতল ভূমিবোৰত বোকা-পানীৰে লুতুৰি-পুতুৰি হৈ কঠোৰ পৰিশ্ৰমেৰে হাল বাই খেতি কৰি আহিছিল। সমতল ভূমিৰ দ মাটিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা দেখি গাৰোসকলে এই জনগোষ্ঠীক হাজং নামকৰণ কৰে। গাৰো ভাষাত 'হা' আৰু 'জং' শব্দৰ অৰ্থ ক্ৰমে মাটি আৰু পোক। এনেদৰে 'হাজং' শব্দৰ উদ্ভৱ হোৱা বুলি জনা যায়।

**সামাজিক ভাগ ঃ** হাজংসকল পূৰ্বতে সামাজিক ৰূপত ছয়টা শ্ৰেণীত বিভক্ত আছিল ; যেনে ঃ (১) হৰাং পাৰীয়া, (২) ভজালু পাহাৰীয়া, (৩) মানিক পাহাৰীয়া, (৪) টেপৰ পাহাৰীয়া, (৫) সাতদল পাহাৰীয়া আৰু (৬) মাজ্ৰি পাৰীয়া। পিছে বৰ্তমান জনগোষ্ঠীটোৰ মাজত এই শ্ৰেণীবোৰ পোৱা নাযায়। হাজংসকলক বৃহৎ আঞ্চলিক গোট হিচাপে পাঁচ ভাগত পোৱা যায়। এইবোৰ হ'ল ঃ (১) দশ কাহানীয়া, (২) ছুছঙী, (৩) মছপাহাৰীয়া, (৪) কৰাইবাৰীয়া আৰু (৫) বাৰ'হাজাৰী। সাম্প্ৰতিক এইভাগকেইটাও নিবিড় যোগাযোগ আৰু সংমিশ্ৰণৰ ফলত প্ৰতিটো সামাজিক গোটৰ স্বকীয় বৈশিষ্ট্যসমূহ একীভূত হৈ একক সামাজিক বিশিষ্টতাত পৰিণত হ'বলৈ ধৰিছে।

**সামাজিক বান্ধোন ঃ** হাজংসকল পৰম্পৰাগতভাৱে তিনিটা সমাজ বান্ধোনেৰে সমাজ পৰিচালনা কৰে। যেনে ঃ (১) গাঁও গিয়াতি, (২) পাঁচ গিয়াতি আৰু (৩) জোৱাৰ বা চাক্‌লা। সমাজৰ যিকোনো ধৰণৰ দ্বন্দ-খৰিয়াল প্ৰথমতে গাঁও গিয়াতিৰ মুৰব্বীয়ে মীমাংসা কৰে। গঞাৰ কোনো বিষয় সেইজন মুৰব্বীয়ে যদি মীমাংসা কৰিব নোৱাৰে তেনেহ'লে পাঁচ গিয়াতিৰ মুৰব্বীসকলে মেল পাতি সমাধান

কৰে। সমাজৰ কোনো জটিল সামাজিক সমস্যা হ'লে জোৰাৰ বা চাক্‌লাৰ মুৰব্বীসকলে মেল মাতি সমাধান কৰে।

**ঘৰবাৰী ঃ** হাজংসকলৰ ঘৰ-বাৰী মুকলিমূৰীয়া। সাধাৰণতে খেতিপথাৰৰ পৰা কিছু দূৰৈত সমতলৰ কিছু ওখ ঠাইত ঘৰ সজায় ; মাজত এখন চোতাল ৰাখি চাৰিও কাষে ঘৰবোৰ সজায়। আদৰ্শ গৃহস্থৰ ঘৰ-হাউলি (ঘৰ-বাৰী) এনে ধৰণৰ ঃ এটা মাইজে ঘৰ (বৰ ঘৰ), এটা চাংঘৰ (ভঁৰাল), এটা আখ্‌লি ঘৰ (বান্ধনি ঘৰ), এটা গুলি ঘৰ (গোহালি) আৰু আগচোতালত এখন কাছৃৰি ঘৰ। কাছৃৰি ঘৰ বাট চ'ৰা ঘৰ বুলি ক'ব পাৰি যদিও আচলতে হাজংসকলৰ ই ডেকাচাং আছিল। এসময়ত গাঁৱৰ মুৰব্বী বা প্ৰতিপত্তিশীল ব্যক্তিৰ ঘৰ হাউলিতহে কাছৃৰি ঘৰ আছিল। কাছৃৰি ঘৰত গাঁৱৰ অবিবাহিত ডেকাসকলেহে নিশা শুইছিল। গাঁৱলৈ পুৰুষ আলহী-অতিথি আহিলেও এই কাছৃৰি ঘৰতহে ৰাতি থকিবলৈ দিয়া হয়। গৃহস্থৰ চোতালৰ পূৱ অংশত গৃহদেৱতা বৈইশ বা বাস্তু আৰু কানীদেও (পদ্মাদেৱী)-ৰ থান থাকে। বৈষ্ণৱ পন্থী হাজং গৃহস্থৰ চোতালত হৰিঘৰ আৰু তুলসীৰ থান থাকে।

হাজং তিৰোতাসকল পাকৈত দাৱনী, বোৱনী, মাছুৱৈ আৰু কৰ্মঠ গৃহিণী। তেওঁলোকে পিন্ধা ৰং বিৰঙৰ কাৰু-কাৰ্য খচিত কাপোৰখিনি হৈছে 'ৰাঙা পাটিন'। তেওঁলোকৰ পৰম্পৰাগত কাপোৰ বোৱা পদ্ধতি বা যন্ত্ৰৰ নাম 'বানা'। 'বানা' হ'ল পৰম্পৰাগতভাৱে তৈয়াৰ কৰা বাঁহৰ তাঁত। হাজং শিপিনী এজনীয়ে নিজৰ কাৰণে ৰঙা, নীলা, সেউজীয়া, বেগুনীয়া, ক'লা আদি সানমিহলি ৰঙেৰে আকৰ্ষণীয় ৰূপত 'ৰাঙা পাটিন' বোৱাৰ উপৰিও পুৰুষৰ বাবে 'ভেঝা কাপুৰ' (চুটি চুৰিয়া), ফুলা আগৰুণ, পাছুৰা, ফুলা কাণপেছু আদি বয়। সামাজিক উৎসৱ-অনুষ্ঠানত পুৰুষৰ সমানে গাবুৰ (গাভৰু), আয়ৰক্ (আয়তী) আৰু বয়োবৃদ্ধাৰ বিশেষ ভূমিকা আছে। মাৰ' পূজাৰ (মাঁৰৈ পূজা) উজনী বা বান উঠা (দেওধনী), কাতি পূজা, গুপনী গোহেন আদি নৃত্য-গীতত হাজং নাৰীৰ ভূমিকা উল্লেখযোগ্য। তেওঁলোকে পূৰ্বৰ পৰা ব্যৱহাৰ কৰা দুই-এপদ অলংকাৰ হ'ল ঃ বাহুত কাটাবাজু ; ভৰিত বাক, গুঞ্জৰী, ঠেংপাতা; কাণত কৰমফুল ; নাকত নলছ, নাকফুল ; ডিঙিত টিকিছৰা, হাৰমালা, হাছুলী; হাতত বয়লা, শাঁকা (শঙ্খ) আৰু আঙুলিত আঙঠি।

হাজং পুৰুষৰ সাজপাৰ অতি সাধাৰণ। তেওঁলোকে পোন্ধমাৰি কঁকালত পিন্ধা আঠুমূৰীয়া চুৰিয়াখনৰ নাম হ'ল 'ভেঝা নিংটি'। ই বগা, নীলা অথবা পথৰা ৰঙৰ হয়। তেওঁলোকে গাত বুকছলি (চোলা) আৰু জাৰৰ দিনত ডিঙিত ফুলৈ কানপেছু (মাফলাৰ) আৰু আওলান (চাদৰ) মেৰিয়াই লয়।

হাজংসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ সৈতে জড়িত বিভিন্ন আচাৰ-অনুষ্ঠান প্ৰচলিত হৈ আহিছে।

হাজং সমাজত চাৰি প্ৰকাৰত বিবাহ সম্পন্ন হয়। যেনে—(১) সামাজিক বিয়া (চাই-মেলি কৰা

বিয়া), (২) দায় পৰা বা ঠেংপাংৰানি (বাধাত পৰি ছোৱালীক স্ত্ৰী হিচাপে গ্ৰহণ কৰা), (৩) মনামনি (ডেকা-গাভৰুৱে পৰস্পৰ ভাল পাই হোৱা বিয়া) আৰু (৪) হাঙা বা সাঙা (বিধবা আৰু বৰলাৰ মাজত হোৱা বিয়া)।

**উৎসৱ-পাৰ্বণ ঃ** হাজংসকল মূলতঃ কৃষিজীৱী কৃষি কৰ্মৰ লগতে জড়িত বিভিন্ন ধৰণৰ লোকাচাৰ তেওঁলোকৰ মাজত প্ৰচলিত। যেনে ঃ গুচি পুতা (ন গচি দিয়া), আগ আনা (প্ৰথম ধান কটা), নয়া খোৱা (ন ভাত খোৱা), কাতি গাছা (কঙালী বিহুত ঔ খোলেৰে ধাননি পথাৰত চাকি জ্বলোৱা), শইচ চপোৱা আৰু 'পুষণৈ'ত (মাঘ বিহুত) চিৰা-পিঠা খোৱা, সঙৰাণি বা বিষুৱাত (ৰঙালী বিহুত) গৰু গা ধুওৱা, কৃষি সঁজুলি ধুই-পখালি চোতালত থুপাই বন্তি জ্বলাই সেৱা জনোৱা আদি। তদুপৰি বহাগত বৈইশ বা বাস্তু পূজা, আহাৰত সাতোবাৰ চুৱা (অম্বুবাচী) মানা, শাওণত বৰত' (কানীদেও পূজা), শৰতত যাত্ৰা পূজা, ভুঁই মাগা, চ'ৰমাগা (চৰ খেলা) উৎসৱ, কাতি মাহৰ শেষ দিনা কাতি পূজা, পুহ মাহত ধান দাই থকাৰ সময়ত পথাৰত ভালুক মাগা, চপোৱাৰ পিচত থংবৈমাগা, পুষণৈ আদি অনুষ্ঠান, পৰ্ব পালন কৰে। শৰতৰ শেষ ভাগত দীপাৱলী আঁউসীৰ পৰা এসপ্তাহ জুৰি হাজংসকলৰ গাঁৱে গাঁৱে চলে চ'ৰমাগা বা চৰ খেলাৰ নৃত্য-গীতৰ উৎসৱ। কৃষিজীৱী হাজং ডেকাসকলৰ এই সময়ছোৱা অৱসৰ বিনোদনৰ সময়। ডেকাসকলে ঢাকী (ঢোল) দোতোৰা, বাঁহী, তাল আদি বাদ্যৰে দল বান্ধি ঘৰে ঘৰে নৃত্য-গীত গাই মাগি ফুৰে। এই নৃত্য-গীতৰ উৎসৱত লেৱাটানা, জাখামাৰা, ভাঙা নাওকা, দেৱী যুদ্ধ আদি নৃত্য-গীত প্ৰাচীন আৰু জনপ্ৰিয়। 'লেৱাটানা' নৃত্য-গীত ডেকা-গাভৰুৰ প্ৰণয়মূলক, ব্যঙ্গ-কৌতুকসূচক আৰু শ্ৰমজীৱী জীৱনৰ চিত্ৰৰে পৰিস্ফুট। চ'ৰমাগা বা চৰ খেলা উৎসৱত নৃত্য-গীতৰ দলে গৃহস্থৰ পৰা বৰঙণি সংগ্ৰহ কৰে।

**ধৰ্ম ঃ** হাজংসকল হিন্দু ধৰ্মাৱলম্বী হ'লেও তেওঁলোকৰ পৰম্পৰাগত জনগোষ্ঠীয় ধৰ্মও সমন্বিত ৰূপত ক্ৰিয়াশীল হৈ আছে। প্ৰকৃতিৰ বিভিন্ন অশুভ ক্ৰিয়া-কলাপ, অপায়-অমঙ্গলৰ পৰা পৰিত্ৰাণ পাবলৈ হাজংসকলে বিশ্বাস আৰু ভক্তিৰে বিভিন্ন দেৱ-দেৱী পূজা কৰে। তেওঁলোকৰ পূজ্য দেৱ-দেৱীৰ ভিতৰত বৈইশ বা বাস্তুদেও মূল দেৱতা। প্ৰতিখন গঞা সমাজ মিলি তেওঁলোকে বৈইশ বা বাস্তুদেও পূজা কৰে। এই পূজা বহাগ মাহত অনুষ্ঠিত কৰে। চুবুৰী বা গাঁৱৰ পৰা কিছু আঁতৰত্তীয়া ঠাইত বৈইশ দেৱতাৰ থান সজোৱা হয়। বৈইশ বা বাস্তু দেৱতাৰ লগতে অন্যান্য কেইবাটাও দেৱ-দেৱীৰ থান শাৰী শাৰীকৈ থাপন কৰা হয়।

হাজংসকল ধৰ্ম আচৰণৰ দিশত দুই শ্ৰেণীত বিভক্ত। (১) হাজং শাক্ত আৰু (২) খাটল (বৈষ্ণৱ)। জনগোষ্ঠীয় পৰম্পৰা ধৰ্মীয় আচৰণত চলা লোকসকল হাজং শাক্ত আৰু যিসকল হাজঙে বৈষ্ণৱ পন্থা অৱলম্বন কৰি বৈষ্ণৱ, অধিকাৰী হৈছে তেওঁলোক খাটল বা বৈষ্ণৱ শ্ৰেণীৰ। শাক্তসকল মাছ-মঙহ, ঘৰুৱা মদ আদিৰে আমিষ আহাৰী। আনহাতে খাটল শ্ৰেণীৰ লোকসকল বৈষ্ণৱ আচৰণত

বিশ্বাসী। বৈষ্ণৱ পন্থী হাজংসকলৰ কাৰো কাৰো ঘৰত শালগ্ৰাম বিগ্ৰহ আছে আৰু পুৰুষানুক্ৰমে এই শালগ্ৰাম বিগ্ৰহক বিষ্ণু দেৱতা হিচাপে নিতৌ পূজা অৰ্চনা কৰি আহিছে। তেওঁলোকে জন্মাষ্টমী, ৰাধা অষ্টমী, ৰাসযাত্ৰা, দৌলযাত্ৰা আদি বিশেষ বিশেষ তিথিত উৎসৱ-পাৰ্বণ উদ্‌যাপন কৰে। ভাগৱত, ৰামায়ণ, মহাভাৰত, গীতা আদি পাঠ কৰি কৃষ্ণ-স্তুতিৰে নাম কীৰ্ত্তন গায়।

খাদ্য ঃ হাজংসকল ভোজনবিলাসী আৰু আমিষাহাৰী। বাঁহগাজ, কচু আলু, কচুৰ পাত আৰু থোৰা, হিদুল (শুকান মাছ), শাক-পাতৰ শকুতা, কাছ-ডুবা-মাছুং (মণ্ডহ), লেবা-শাক (চাউলৰ গুৰিৰে ৰন্ধা তৰকাৰী), বিচি ভাত (ভাপত বনোৱা বৰা চাউলৰ ভাত), বুকনি ভাত, ডিংপোৱা (কাক' বাঁহৰ চুঙাত বনোৱা বৰা চাউলৰ ভাত) তেওঁলোকৰ অতি প্ৰিয়।

হাজং ভাষা তিব্বত-বৰ্মীয় ভাষা-পৰিয়ালৰ বড়ো শাখাৰ অন্তৰ্ভুক্ত। হাজংসকল আৰ্য-সংস্কৃতিৰ গভীৰ প্ৰভাৱৰ দ্বাৰা সংস্কাৰ হৈ অহাৰ ফলত তেওঁলোকৰ আদিমতম ভাষা ৰূপান্তৰ হৈ আহিছে। হাজং ভাষা নিজস্ব বৈয়াকৰণিক শৈলী, নিজস্ব শব্দভাণ্ডাৰ, জতুৱা-ঠাঁচ, খণ্ডবাক্য, যোজনা আদিৰে স্বকীয় বৈশিষ্ট্যপূৰ্ণ ভাষা। অৱশ্যে সাম্প্ৰতিক কালত হাজংসকলৰ ভাষাত কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

প্ৰশ্নাৱলী ঃ

১। হাজংসকল কোন জনগোষ্ঠীৰ লোক?
২। হাজংসকলক পাৰ্বত্য স্বায়ত্তশাসিত জিলাবোৰত কেতিয়া অনুসূচীত জনজাতি হিচাপে স্বীকৃতি দিছিল?
৩। বৰ্তমান হাজংসকল অসমৰ প্ৰধানতঃ কোন কোন জিলাত বসবাস কৰি আছে?
৪। হাজংসকলৰ মূল জীৱিকা কি?
৫। বাস্তুদেও পূজা কেতিয়া অনুষ্ঠিত কৰে।
৬। হাজং সমাজত কাছুৰি ঘৰৰ তাৎপৰ্য কি?

• • •